THIS IS A PUBLIC ANNOUNCEMENT FOR INFORMATION PURPOSES ONLY AND IS NOT A PROSPECTUS ANNOUNCEMENT. THIS DOES NOT CONSTITUTE AN INVITATION OR OFFER TO ACQUIRE, PURCHASE OR SUBSCRIBE TO SECURITIES.
THIS PUBLIC ANNOUNCEMENT IS NOT INTENDED FOR RELEASE, PUBLICATION OR DISTRIBUTION DIRECTLY OR INDIRECTLY OUTSIDE INDIA.

Scan this QR code to view the Prospectus

MPK
STRONG BASE | STRONG FUTURE

# M P K STEELS (I) LIMITED

CIN: U27109AS2005PLC007674

**THE COMMENCEMENT OF TRADING OF THE EQUITY SHARES OF OUR COMPANY ON THE SME PLATFORM OF BSE LIMITED ("BSE SME") SHALL BE WITH EFFECT FROM ON MONDAY, OCTOBER 06, 2025**

Our Company was initially incorporated on February 28, 2005, as a Private Limited Company in the name of "M P K Steels (I) Private Limited" under the provisions of the Companies Act, 1956 bearing Identification Number U27109AS2005PTC007674 with the Registrar of Companies, Assam, Mizoram, Manipur, Tripura, Nagaland, Arunachal Pradesh & Meghalaya, Guwahati. Subsequently, pursuant to a Special Resolution of our Shareholders passed in the Extra-Ordinary General Meeting held on November 12, 2024, our Company was converted from a Private Limited Company to Public Limited Company and consequently, the name of our Company was changed to 'M P K Steels (I) Limited' and a Fresh Certificate of Incorporation consequent to Conversion was issued on December 16, 2024 by the Registrar of Companies, Central Processing Centre. The Corporate Identification Number of the Company is U27109AS2005PLC007674. For details in relation to the incorporation, Change in Registered Office and other details, please refer to the chapter titled "Our History and Certain Other Corporate Matters" beginning on page 187 of the Prospectus.

**Registered Office:** House No. 87, Rajgarh Road, Silpukhuri, Kamrup, GMC, Assam, India-781003.
**Contact Person:** Ms. Priyanka Jain, Company Secretary and Compliance Officer
**Contact No.:** +91 86960 00318 | **Email Id:** info@mpksteels.com | **Website:** www.mpksteels.com

## OUR PROMOTERS: MR. MANOJ UPADHYAY, MR. SURESH KUMAR SHARMA, MRS. NIDHI UPADHYAY, MRS. SANTOSH DEVI SHARMA, SURESH KUMAR SHARMA AND SONS HUF AND MANOJ KUMAR UPADHYAY HUF

**INITIAL PUBLIC OFFER OF EQUITY SHARES ON THE SME PLATFORM OF BSE LIMITED ("BSE SME") IN COMPLIANCE WITH CHAPTER IX OF THE SECURITIES AND EXCHANGE BOARD OF INDIA (ISSUE OF CAPITAL AND DISCLOSURE REQUIREMENTS) REGULATIONS, 2018, AS AMENDED ("SEBI ICDR REGULATIONS").**

**Our Company has filed the Prospectus dated October 01, 2025 (the "Prospectus") with the Registrar of Companies, Guwahati (RoC) on October 01, 2025 and the Equity Shares are proposed to be listed on the SME platform of BSE Limited ("BSE SME") and the listing and trading of the Equity Shares are expected to commence on October 06, 2025.**

### BRIEF DESCRIPTION OF THE BUSINESS OF THE COMPANY

**M P K STEELS (I) LIMITED is a manufacturer of general-purpose structural steel products which includes M.S. Channel, M.S. Joist/Beam, M.S. Angle, M.S. Square Bar, M.S. Round Bar, and M.S. Flat which are being sold through network of distributors and dealers with whom the company has long-term relationships. These products are commonly used in industries such as Railways, Telecom Industries, State Electricity Boards, Power & Energy Industries, Automotive Industry, Offshore Structures, Construction Industries, Fabrication Industries, Auto Body Builders and Infrastructural Development Authorities.**

## BASIS OF ALLOTMENT

**INITIAL PUBLIC OFFER OF 32,57,600 EQUITY SHARES OF FACE VALUE OF ₹ 10.00 EACH ("EQUITY SHARES") OF M P K STEELS (I) LIMITED (THE "COMPANY" OR THE "OFFERER") FOR CASH AT A PRICE OF ₹ 79.00 PER EQUITY SHARE INCLUDING A SHARE PREMIUM OF ₹ 69.00 PER EQUITY SHARE (THE "OFFER PRICE") AGGREGATING TO ₹ 2573.50 LAKHS ("THE OFFER"). THE OFFER INCLUDES A RESERVATION OF 1,63,200 EQUITY SHARES AGGREGATING TO ₹ 128.93 LAKHS WILL BE RESERVED FOR SUBSCRIPTION BY MARKET MAKER TO THE OFFER (THE "MARKET MAKER RESERVATION PORTION"). THE OFFER LESS THE MARKET MAKER RESERVATION PORTION I.E. NET OFFER OF 30,94,400 EQUITY SHARES AGGREGATING TO ₹ 2444.58 LAKHS (THE "NET OFFER").**

## THE FACE VALUE OF THE EQUITY SHARE IS ₹ 10 EACH AND OFFER PRICE IS ₹ 79 EACH. THE OFFER PRICE IS 7.9 TIMES OF THE FACE VALUE OF THE EQUITY SHARE.

| BID / ISSUE PROGRAMME | BID/OFFER OPENED ON: FRIDAY, SEPTEMBER 26TH, 2025 |
|---|---|
| | BID/OFFER CLOSED ON: TUESDAY, SEPTEMBER 30TH, 2025 |

## PROPOSED LISTING: MONDAY, OCTOBER 06TH, 2025*

***Subject to the receipt of listing and trading approval from NSE Emerge.**

### RISKS TO INVESTORS

**Summary description of key risk factors based on materiality:**

1. Our Company is dependent on a few suppliers for purchases of raw materials and consumables. The loss of any of these large suppliers may affect our business operations.
2. We derive a majority portion of our revenue from operations from our top 10 customers, contributing towards our total gross sales.
3. We rely heavily on the availability of key raw materials to procure them. As we have not established long-term arrangement with these suppliers, any inability to secure sufficient raw materials at competitive prices could adversely impact our business, financial condition, and operational results. Any fluctuations in prices, availability of raw material or storage in supply of raw material for manufacturing of our products would adversely impact our business.
4. We have experienced significant working capital requirements in past and may continue to experience in future also. If we experience insufficient cash flows from our operations or are unable to borrow to meet our working capital requirements, it may materially and adversely affect our business, cash flows and results of operations.
5. Disruptions or shutdowns at our manufacturing facility could adversely affect our business, financial condition, and results of operations.

**PROPOSED LISTING**

The Equity Shares of the Company offered through the Prospectus dated October 01, 2025 are proposed to be listed on the SME Platform of BSE Limited ("BSE SME") in terms of the Chapter IX of SEBI (ICDR) Regulations, 2018 as amended from time to time. Our Company has received In-Principle Approval Letter dated September 01, 2025, from BSE for listing our shares and also for using its name in the Offer document for listing of our shares on SME Platform of BSE Limited ("BSE SME"). It is to be distinctly understood that the permission given by BSE should not in any way be deemed or construed that the Offer Document has been cleared or approved by BSE nor does it certify the correctness or completeness of any of the contents of the Offer Document. The investors are advised to refer to the Offer Prospectus for the full text of the ***'Disclaimer Clause of SME Platform Of BSE Limited'*** *on page 267 of the Prospectus.* ***For the purpose of this Offer, the Designated Stock Exchange will be the BSE SME. The Trading is proposed to be commenced on October 06, 2025 (Subject to the receipt of listing and trading approval from the BSE).***

The offer is being made through the Book Building Process, in terms of Rule 19(2)(b)(i) of the Securities Contracts (Regulation) Rules, 1957, as amended ("SCRR") read with Regulation 253 of the SEBI ICDR Regulations, as amended, wherein not more than 50% of the Net offer shall be allocated on a proportionate basis to Qualified Institutional Buyers ("QIBs", the "QIB Portion"), provided that our Company may, in consultation with the Book Running Lead Manager, may allocate up to 60% of the QIB Portion to Anchor Investors on a discretionary basis in accordance with the SEBI ICDR Regulations ("Anchor Investor Portion"), of which one-third shall be reserved for domestic Mutual Funds, subject to valid Bids being received from domestic Mutual Funds at or above the Anchor Investor Allocation Price. In the event of under-subscription, or non-allocation in the Anchor Investor Portion, the balance Equity Shares shall be added to the Net QIB Portion. Further, 5% of the Net QIB Portion shall be available for allocation on a proportionate basis only to Mutual Funds, and the remainder of the Net QIB Portion shall be available for allocation on a proportionate basis to all QIBs, including Mutual Funds, subject to valid Bids being received at or above the Offer Price. However, if the aggregate demand from Mutual Funds is less than 5% of the Net QIB Portion, the balance Equity Shares available for allocation in the Mutual Fund Portion will be added to the remaining Net QIB Portion for proportionate allocation to QIBs. Further, not less than 15% of the Net Offer shall be available for allocation on a proportionate basis to Non-Institutional Bidders out of which (a) one third of such portion shall be reserved for applicants with application size of more than ₹200,000 and up to ₹1,000,000; and (b) two third of such portion shall be reserved for applicants with application size of more than ₹1,000,000, provided that the unsubscribed portion in either of such sub-categories may be allocated to applicants in the other sub-category of Non-Institutional Bidders and not less than 35% of the Net offer shall be available for allocation to Individual Bidders, who applies for minimum application size, in accordance with the SEBI ICDR Regulations, subject to valid Bids being received at or above the offer Price. All potential Bidders (except Anchor Investors) are required to mandatorily utilise the Application Supported by Blocked Amount ("ASBA") process providing details of their respective ASBA accounts, and UPI ID in case of RIBs using the UPI Mechanism, if applicable, in which the Corresponding Bid Amounts will be blocked by the SCSBs or by the Sponsor Bank under the UPI mechanism, as the case may be, to the extent of respective Bid Amounts, Anchor Investors are not permitted to participate in the Offer through the ASBA process. For details, see ***"Offer Procedure"*** beginning on page 286 of the Prospectus

All investors have participated in this Offer through Application Supported by Blocked Amount ("ASBA") process including through Unified Payment Interface ("UPI") mode (as applicable) by providing the details of the respective bank accounts / UPI ID as applicable in which the corresponding application amounts were blocked by Self Certified Syndicate Banks (the "SCSBs") / Sponsor Bank as the case may be.

### SUBSCRIPTION DETAILS

**DETAILS OF THE APPLICATION:**

The Offer (excluding Anchor Investor Portion)* received 1,149 applications for 24,20,800 Equity Shares (before technical rejections and after invalid bids Multiple/Duplicate/ bids (UPI Mandates) not accepted by investors , / blocked, bids rejected under application banked but bid not registered) resulting in 2.25 times subscription (including reserved portion of market maker).

**There was no Anchor Issue in this Initial Public Offer.*

The Offer (excluding Anchor Investors Portion) received 408 Applications for 49,36,000 Equity Shares (after considering multiple and duplicate bids but before technical rejections) resulting 1.51 times subscription (including reserved portion of market maker and excluding anchor investor portion).

The details of the Applications received in the Offer from various categories are as under: (before technical rejections):

**DETAILS OF APPLICATIONS RECEIVED (before technical rejection)**

| Sr. No. | Category | Number of Applications | Number of Equity Shares | Amount (₹) |
|---|---|---|---|---|
| 1. | Qualified Institutional Buyers (excluding Anchor Portion) | 2 | 30,00,000 | 23,70,00,000.00 |
| 2. | Non-Institutional Bidders 1 (More than 2 lots & up to ₹1,000,000/-) | 7 | 38,400 | 30,33,600.00 |
| 3. | Non-Institutional Bidders 2 (More than ₹1,000,000/-) | 31 | 5,60,000 | 4,42,40,000.00 |
| 4. | Individual Investors | 367 | 11,74,400 | 9,26,97,600.00 |
| 5. | Market Maker | 1 | 1,63,200 | 1,28,92,800.00 |
| | **Total** | **408** | **49,36,000** | **38,98,64,000.00** |

**DETAILS OF VALID APPLICATIONS:**

| Category | Gross | | Less: Valid Rejections | | Valid | | Allotment | |
|---|---|---|---|---|---|---|---|---|
| | Applications | Equity Shares | Applications | Equity Shares | Applications | Equity Shares | Applications | Equity Shares |
| Qualified Institutional Buyers (excluding Anchor Portion) | 2 | 30,00,000 | 0 | 0 | 2 | 30,00,000 | 2 | 13,47,200 |
| Individual Investors | 367 | 11,74,400 | 8 | 25,600 | 359 | 11,48,800 | 359 | 11,48,800 |
| Non-Institutional Bidders 1 (More than 2 lots & up to ₹1,000,000/-) | 7 | 38,400 | 0 | 0 | 7 | 38,400 | 7 | 38,400 |
| Non-Institutional Bidders 2 (More than ₹1,000,000/-) | 31 | 5,60,000 | 0 | 0 | 31 | 5,60,000 | 31 | 5,60,000 |
| Market Maker | 1 | 1,63,200 | 0 | 0 | 1 | 1,63,200 | 1 | 1,63,200 |
| **Total** | **408** | **49,36,000** | **8** | **25,600** | **400** | **49,10,400** | **400** | **32,57,600** |

***This includes applications from Individual Investors which were not in book but excludes not banked bids.**

**ALLOCATION:** The Basis of Allotment was finalized in consultation with the Designated Stock Exchange i.e. SME Platform of Bombay Stock Exchange of India Limited on October 1, 2025.

**Allocation to Individual Investors (After Technical Rejections):** The Basis of Allotment to the Individual Investors, at the issue price of ₹79.00/- per Equity Share, was finalized in consultation with SME Platform of Bombay Stock Exchange of India Limited. The category was subscribed by 0.57 times. The total number of Equity Shares Allotted in this category is 11,48,800 Equity Shares to 359 successful applicants. The details of the Basis of Allotment of the said category are as under:

| No. of Shares Applied for (Category wise) | No. of Applications Received | % of Total | Total No. of Shares applied in each category | % of Total | Allocation per Applicant | | Ratio of allottees to applicants | | Number of successful applicants (after rounding) | % of Total | Total No. of shares allocated/ alloted | % of Total | Surplus/ Deficit |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | Before Rounding off | After Rounding off | | | | | | | |
| 3200 | 359 | 100.00 | 1,148,800 | 100.00 | 5,607 | 3,200 | 1 | 1 | 359 | 100.00 | 1,148,800 | 100.00 | 864,000 |
| **Total** | **359** | **100.00** | **11,48,800** | **100.00** | | | | | **359** | **100.00** | **11,48,800** | **100.00** | **8,64,000** |

**Allocation to Non- Institutional Investors (After Technical Rejections):** The Basis of Allotment to the Non- Institutional Investors, in the category of **More than 2 lots and upto 10 lacs,** at the issue price of ₹79.00/- per Equity Share, was finalized in consultation with SME Platform of Bombay Stock Exchange of India Limited. The category was subscribed by 0.12 times. The total number of Equity Shares Allotted in this category is 38,400 Equity Shares to 7 successful applicants. The details of the Basis of Allotment of the said category are as under:

| No. of Shares Applied for (Category wise) | No. of Applications Received | % of Total | Total No. of Shares applied in each category | % of Total | Allocation per Applicant | | Ratio of allottees to applicants | | Number of successful applicants (after rounding) | % of Total | Total No. of shares allocated/ alloted | % of Total | Surplus/ Deficit |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | Before Rounding off | After Rounding off | | | | | | | |
| 4800 | 6 | 85.71 | 28,800 | 75.00 | 4,800 | 4,800 | 1 | 1 | 6 | 85.71 | 28,800 | 75.00 | 204,000 |
| 9600 | 1 | 14.29 | 9,600 | 25.00 | 9,600 | 9,600 | 1 | 1 | 1 | 14.29 | 9,600 | 25.00 | 68,000 |
| **TOTAL** | **7** | **100** | **38,400** | **100** | | | | | **7** | **100** | **38,400** | **100.00** | |

**Allocation to Non- Institutional Investors (After Technical Rejections):** The Basis of Allotment to the Non- Institutional Investors, **more than 10 lacs** at the issue price of ₹79.00/- per Equity Share, was finalized in consultation with SME Platform of Bombay Stock Exchange of India Limited. The category was subscribed by 0.90 times. The total number of Equity Shares Allotted in this category is 5,60,000 Equity Shares to 31 successful applicants. The details of the Basis of Allotment of the said category are as under:

| No. of Shares Applied for (Category wise) | No. of Applications Received | % of Total | Total No. of Shares applied in each category | % of Total | Allocation per Applicant | | Ratio of allottees to applicants | | Number of successful applicants (after rounding) | % of Total | Total No. of shares allocated/ alloted | % of Total | Surplus/ Deficit |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | Before Rounding off | After Rounding off | | | | | | | |
| 12800 | 29 | 93.55 | 371,200 | 66.29 | 12,800 | 12,800 | 1 | 1 | 29 | 93.55 | 371,200 | 66.29 | 40,302 |
| 64000 | 1 | 3.23 | 64,000 | 11.43 | 64,000 | 64,000 | 1 | 1 | 1 | 3.23 | 64,000 | 11.43 | 6,948 |
| **TOTAL** | **31** | **100** | **5,60,000** | **100** | | | | | **31** | **100** | **5,60,000** | **100.00** | |

**Allocation to Qualified Institutional Buyers (excluding Anchor Portion) (After Technical Rejections):** The Basis of Allotment to the Qualified Institutional Buyers, at the issue price of ₹79.00/- per Equity Share, was finalized in consultation with SME Platform of Bombay Stock Exchange of India Limited. The category was subscribed by 2.23 times. The total number of Equity Shares Allotted in this category is 13,47,200 Equity Shares to 2 successful applicants. The details of the Basis of Allotment of the said category are as under:

| No. of Shares Applied for (Category wise) | No. of Applications Received | % of Total | Total No. of Shares applied in each category | % of Total | Allocation per Applicant | | Ratio of allottees to applicants | | Number of successful applicants (after rounding) | % of Total | Total No. of shares allocated/ alloted | % of Total | Surplus/ Deficit |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | Before Rounding off | After Rounding off | | | | | | | |
| 804800 | 1 | 50.00 | 804,800 | 26.83 | 361,409 | 361,600 | 1 | 1 | 1 | 50.00 | 361,600 | 26.84 | -191 |
| 2195200 | 1 | 50.00 | 2,195,200 | 73.17 | 985,791 | 985,600 | 1 | 1 | 1 | 50.00 | 985,600 | 73.16 | 191 |
| **TOTAL** | **2** | **100** | **30,00,000** | **100** | | | | | **2** | **100** | **13,47,200** | **100.00** | |

**Allocation to Market Maker (After Technical Rejections):** The Basis of Allotment to the Market Maker, at the issue price of ₹79.00/- per Equity Share, was finalised in consultation with SME Platform of Bombay Stock Exchange of India Limited.. The category was subscribed by 1.00 times. The total number of Equity Shares Allotted in this category is 1,63,000 Equity Shares to 1 successful applicants. The details of the Basis of Allotment of the said category are as under:

| No. of Shares Applied for (Category wise) | No. of Applications Received | % of Total | Total No. of Shares applied in each category | % of Total | Allocation per Applicant | | Ratio of allottees to applicants | | Number of successful applicants (after rounding) | % of Total | Total No. of shares allocated/ alloted | % of Total |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | Before Rounding off | After Rounding off | | | | | | |
| 163200 | 1 | 100.00 | 163,200 | 100.00 | 163,200 | 163,200 | 1 | 1 | 1 | 100.00 | 163,200 | 100.00 |
| **TOTAL** | **1** | **100** | **1,63,200** | **100** | | | | | **1** | **100** | **1,63,200** | **100.00** |

The Board of Directors of the Company at its meeting held on October 01, 2025, has taken on record the Basis of Allotment of Equity Shares, as approved by the Designated Stock Exchange viz. SME Platform of BSE Limited and has authorized the online corporate action for the allotment of the Equity Shares in dematerialised form to various successful applicants.

The CAN-cum-Refund Orders and Allotment Advice and/or Notices will be dispatched to the address of the applicants as registered with the depositories. Further, the instructions to Self-Certified Syndicate Banks have been dispatched/mailed for unblocking of funds and transfer to the public issue account on or before October 03, 2025. In case the same is not received within Ten (10) days, investors may contact at the address given below. The Equity Shares allocated to successful allottees shall be uploaded on October 03, 2025 for credit to the respective beneficiary accounts subject to validation of the account details with the Depositories concerned. The Company is in process of obtaining the listing & the trading approval from NSE and the trading is expected to commence on or before October 06, 2025.

**Note:** All capitalised terms used and not specifically defined herein shall have the same meaning as assigned to them in the Prospectus dated October 01, 2025 filed with the Registrar of Companies, Guwahati. ("RoC").

**DISCLOSURES PERTAINING TO THE BRLM'S TRACK RECORD ON PAST ISSUES WITH A BREAKUP OF HANDLING OF IPOS FOR THE LAST 3 FISCAL YEARS AND AS ON SEPTEMBER 29, 2025:**

**GRETEX CORPORATE SERVICES LIMITED**

| TYPE | FY 2022-23 | FY 2023-24 | FY 2024-25 | FY 2025-26* |
|---|---|---|---|---|
| SME IPO | 9 | 10 | 5 | 6 |
| MAIN BOARD | 0 | 0 | 1 | 0 |

***As on September 29, 2025***

### INVESTORS, PLEASE NOTE

The details of the allotment made would also be hosted on the website of the Registrar to the Issue, **Maashitla Securities Private Limited** at www.maashitla.com. All future correspondences in this regard may kindly be addressed to the BRLM, Registrar to the Issue and the Company quoting full name of the first/ sole applicants, serial number of the application form, number of shares applied for and Bank Branch where the application had been lodged and payment details at the address of the Registrar given below:

(Continued next page...)

(Continued from previous page...)

| BOOK RUNNING LEAD MANAGER TO THE ISSUE | REGISTRAR TO THE ISSUE | COMPANY SECRETARY AND COMPLIANCE OFFICER |
|---|---|---|
| GRETEX CORPORATE SERVICES LIMITED<br>A-401, Floor 4th, Plot FP-616, (PT), Naman Midtown, Senapati Bapat Marg, Near Indiabulls, Dadar (W), Delisle Road, Mumbai-400013, Maharashtra, India.<br>**Tel. No.:** +91 93319 26937<br>**Email:** info@gretexgroup.com<br>**Website:** www.gretexcorporate.com<br>**Contact Person:** Mr. Pradip Agarwal<br>**SEBI Registration No:** INM000012177<br>**CIN:** L74999MH2008PLC288128 | MAASHITLA SECURITIES PRIVATE LIMITED<br>451, Krishna Apra Business Square Netaji Subhash Place, Pitampura, North West - 110034, New Delhi, Delhi, India.<br>**Tel. No.:** +91 11 47581432<br>**Fax No.:** +91 11 47581432<br>**E-mail:** ipo@maashitla.com<br>**Investor Grievance E-mail:** Investor.ipo@maashitla.com<br>**Website:** www.maashitla.com<br>**Contact Person:** Mr. Mukul Agrawal<br>**SEBI Registration No.:** INR000004370<br>**CIN:** U67100DL2010PTC208725 | M P K STEELS (I) LIMITED<br>**Ms. Priyanka Jain,**<br>Company Secretary and Compliance Officer<br>**Address:** House No. 87, Rajgarh Road, Silpukhuri, Kamrup, GMC, Assam, India-781003.<br>**Tel. No.:** +91 86960 00318<br>**Email:** cs@mpksteels.com<br>**Website:** www.mpksteels.com<br>Investors can contact the Company Secretary and Compliance Officer or the Registrar to the Issue in case of any pre-issue or post- issue related grievances, grievances including non-receipt of letters of allotment, non-credit of allotted equity shares in the respective beneficiary account, non-receipt of refund orders or non-receipt of funds by electronic mode, etc. For all issue related queries and for redressal of complaints, investors may also write to the BRLM. |

On behalf of Board of Directors
For M P K Steels (I) Limited
Sd/-
Manoj Upadhyay
**Designation:** Managing Director
**DIN:** 00706964

**Date:** October 03, 2025
**Place:** Guwahati

**THE LEVEL OF SUBSCRIPTION SHOULD NOT BE TAKEN TO BE INDICATIVE OF EITHER THE MARKET PRICE OF THE EQUITY SHARES ON LISTING OR THE BUSINESS PROSPECTS OF SELLOWRAP INDUSTRIES LIMITED**

**Disclaimer: M P K Steels (I) Limited** has filed the Prospectus with the RoC, Guwahati, on October 01, 2025, and thereafter with SEBI and the Stock Exchanges. The Prospectus is available on the website of BSE Limited at www.bsesme.com and on the websites of the BRLM at www.gretexcorporate.com, M P K Steels (I) Limited at www.mpksteels.com and Investors should note that investment in Equity Shares involves a high degree of risk and for details relating to the same, please see ***"Risk Factors"*** beginning on page 35 of the Prospectus.

The Equity Shares have not been and will not be registered under the U.S. Securities Act of 1933, as amended (the "Securities Act") or any state securities laws in the United States, and unless so registered, and may not be offered or sold within the United States, except pursuant to an exemption from, or in a transaction not subject to, the registration requirements of the Securities Act and in accordance with any applicable U.S. state securities laws. The Equity Shares are being offered and sold outside the United States in 'offshore transactions' in reliance on Regulation under the Securities Act and the applicable laws of each jurisdiction where such offers and sales are made. There will be no public offering in the United States.

AdBaaz

■ জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাবলৈ বঙাইগাঁৱৰ পৰা সোণাপুৰলৈ মটৰ চাইকেলেৰে যাত্ৰা অনুৰাগীৰ ■

# মাণিকপুৰত আৰক্ষীৰ বাধা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৫ অক্টোবৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগত শোকত ভাগিপৰা ৰাজ্যবাসীয়ে ধাৰাবাহিকভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আহিছে। শনিবাৰে বঙাইগাঁও চহৰৰ বৰপাৰ ৰাজহুৱা খেলপথাৰৰ পৰা গুৱাহাটীৰ সোণাপুৰৰ সমাধিস্থলীলৈ বুলি শতাধিক অনুৰাগীয়ে মটৰচাইকেলেৰে যাত্ৰা কৰে। বঙাইগাঁৱৰ পৰা উলিওৱা শ্ৰদ্ধাঞ্জলি যাত্ৰাৰ মূল উদ্দেশ্য আছিল শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সমাধিস্থলী চাফ-চিকুন কৰি সমাধিস্থলীৰ কাষত গছপুলি ৰোপণ কৰা। প্ৰিয় শিল্পী গৰাকীৰ গীত বজাই তথা জুবিন দা অমৰ হওক ধ্বনিৰে শ্ৰদ্ধাঞ্জলি যাত্ৰা আৰম্ভ কৰি লক্ষ্যস্থানলৈ বুলি আগবাঢ়ে যদিও মাণিকপুৰত বাইক ৰেলীক আৰক্ষীয়ে বাধা প্ৰদান কৰে। আৰক্ষীয়ে জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ লৈ ৰেলি কৰি যাবলৈ নিদিয়াত শিল্পী গৰাকীৰ অনুৰাগীসকলে ক্ষোভ প্ৰকাশ কৰে। লগতে কয় যে এতিয়া অসমত এনে অৱস্থা হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিচাৰিলেহে আমি জুবিন দাৰ সমাধিস্থলীলৈ যাব পাৰিম আৰু তেওঁ নিবিচাৰিলে যাব নোৱাৰিম। তেওঁ এতিয়া একছত্ৰী সম্ৰাট। আমি তেওঁৰ বিৰুদ্ধে কোনো শ্ল'গান দিয়া নাই। আমি আমাৰ প্ৰিয় ব্যক্তি গৰাকীক শ্ৰদ্ধাঞ্জলি জনাবলৈ যাবলৈ বিচাৰিছিলো। তাতে কিয় ভয় খাই আছে বুলিও প্ৰশ্ন উত্থাপন কৰে। উল্লেখ্য যে প্ৰাণৰ শিল্পী গৰাকীৰ অকাল মৃত্যুক কোনেও সহজভাৱে ল'ব পৰা নাই। সকলোৱে অধিৰ আশাৰে অপেক্ষা কৰিছে শিল্পী গৰাকীৰ মৃত্যুৰ প্ৰকৃত সত্য উন্মোচিত হওক ।



## বিহালী আঞ্চলিক নমঃশূদ্ৰ উন্নয়ন পৰিষদৰ শোকসভা

# দুৰ্ঘটনাত মৃত্যু হোৱা কৃষ্ণ বিশ্বাসৰ বাসগৃহত পৰিয়াল বৰ্গক সমবেদনা-শোকসভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৫ অক্টোবৰ ঃ** বিহালী সমষ্টিৰ অন্তৰ্গত চেৰেলীয়া বঙালী গাঁৱৰ কৃষ্ণ বিশ্বাস যোৱা ২৬ ছেপ্টেম্বৰত দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল, আজি পৰিয়ালবৰ্গক সমবেদনা দিবলৈ বিহালী আঞ্চলিক নমঃ শূদ্ৰ উন্নয়ন পৰিষদৰ তৰফৰপৰা এখন শোক সভা অনুষ্ঠিত কৰে। উল্লেখ্য, প্ৰয়াত কৃষ্ণ বিশ্বাস মৃত্যুৰ আগমুহূৰ্ত লৈকে বিহালী আঞ্চলিক নমঃ শূদ্ৰ উন্নয়ন পৰিষদৰ কাৰ্যকৰী সমিতিৰ উপদেষ্টাৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰি আহিছিল। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পৰিষদৰ উপ সভাপতি লক্ষণ ৰয়ে বক্তব্যত প্ৰকাশ কৰে যে তেওঁৰ মৃত্যু বিহালী আঞ্চলিক নমঃ শূদ্ৰ উন্নয়ন পৰিষদৰ লগতে সমাজ জীৱনৰ এক অপূৰণীয় ক্ষতি হ'ল। পৰিষদৰ সম্পাদক প্ৰেম বৈষ্ণৱে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিহালী আঞ্চলিক নমঃ শূদ্ৰ উন্নয়ন পৰিষদৰ সভাপতি বিজয় মণ্ডল, উপ-সভাপতি লক্ষণ ৰয়, কোষাধ্যক্ষ বিনোদ চৰকাৰ, উপদেষ্টা জিতেন মণ্ডল, ৰাজবিহাৰী মণ্ডল, দিগন্ত মণ্ডল, সাংগঠনিক সম্পাদক অজয় মণ্ডল, প্ৰচাৰ সম্পাদক অৰুণ কুমাৰ দাস, মৃদুল মণ্ডল ৰৌমাৰী শাখা সমিতিৰ সভাপতি তাপস চৰকাৰ, সদস্য সুবল চৰকাৰ, গৌৰাঙ্গ চৰকাৰ আদিকে কৰি বহু লোকে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে যোৱা ২৯ ছেপ্টেম্বৰত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱা বিহালী বিহমাৰীৰ সমাজকৰ্মী সুৰ্দশন খেৰোৱাৰ পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰি শোক সভা অনুষ্ঠিত কৰি পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।



## ওৱাঙৰ এপিএছ প্ৰাপ্ত পাৰ্থ প্ৰতিম শৰ্মাৰ মাতৃ গোলাপী দেৱীক আপকুৰ সম্বৰ্দ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওডালগুৰি, ৫অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ ৪৭নং মাজবাট বিধান সভা সমষ্টিৰ অধীনস্থ ওৰাং মৌজাৰ ওৰাঙৰ প্ৰথম এপি এছ পাৰ্থ প্ৰতিম শৰ্মাৰ মাতৃ গোলাপী দেৱীক 'আদৰ্শ মাতৃ' হিচাপে আপকু ওদালগুৰি জিলা সমিতিৰ পৰা সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য পাৰ্থ প্ৰতিম শৰ্মাৰ পিতৃ স্বৰ্গীয় পিতৃ কামাখ্যা শৰ্মা আৰু মাতৃ গোলাপী দেৱীয়ে ওৰাং কলাগুৰু কনিষ্ঠ মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। মাতৃ আৰু পুত্ৰৰ দীৰ্ঘায়ু কামনা কৰি শুভেচ্ছা আৰু শলাগ লৈছে আপকুৱে।

# হাতীমূৰীয়া পঞ্চায়তত বিশেষ গাঁও সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ৫ অক্টোবৰ ঃ** আজি হাতীমুৰীয়া গাঁও পঞ্চায়ত কাৰ্যালয় প্ৰাংগণত অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী কমৰুল ইছলামৰ সভাপতিত্বত পঞ্চায়ত পৰিকল্পনা প্ৰস্তুত কৰিবলৈ 'পিপলচ প্লেন কেম্পেইন-২০২৫-২৬ উপলক্ষে এখন বিশেষ গাঁও সভা সফলতাৰে সম্পন্ন হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়ত সমন্বয়ক মেহবুব হাছানে। পঞ্চায়ত পৰিকল্পনা প্ৰস্তুত কৰা সম্পৰ্কে চমু বক্তব্য আগবঢ়োৱাৰ লগতে পি এ আই,পিডিপি, এছ ডি জি এচ সম্পৰ্কে ব্যাখ্যা কৰে পঞ্চায়ত সমন্বয়গৰাকী। মৈৰাবাৰী প্ৰেছক্লাবৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰ, মহিলা সমাজ কৰ্মী মিছিৰা বেগমে তথ্য গধুৰ বক্তব্য আগবঢ়ায়। অলপতে যোগদান কৰা হাতীমুৰীয়া পঞ্চায়তৰ সচিব মণি কলিতাই বিহাৰৰ আৰু অসমৰ কেইখনমান আদৰ্শ গাঁও পঞ্চায়তৰ উদাহৰণ দি পঞ্চায়ত প্ৰতিনিধিসকলৰ প্ৰচেষ্টাত আৰু ৰাইজৰ সহযোগত এখন আদৰ্শ পঞ্চায়ত গঠন কেনেকৈ কৰিব পাৰি সেই সম্পৰ্কে তথ্য সমৃদ্ধ বক্তব্য আগবঢ়ায়। সচিব গৰাকীয়ে নিজস্ব বক্তব্যৰ মাজেৰে দীৰ্ঘ দিন ধৰি পৰিত্যক্ত হিচাপে পৰি থকা ৰাজীৱ ভৱনৰ কথা উল্লেখ কৰি ভৱনটো অতি সোণকালে পঞ্চায়তৰ ৰাইজৰ সুবিধাৰ্থে পঞ্চায়তৰ বিষয়া কৰ্মচাৰীসকলে ব্যৱহাৰ কৰিব পৰাৰ উপযুক্ত হোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাইজক আশ্বাস দিয়ে। পঞ্চায়ত প্ৰতিনিধিসকলে কোনে ভোট দিছে কোনে ভোট দিয়া নাই সেই সম্পৰ্কে মনত ভাৱ নানি সকলোকে লৈ উন্নয়নমূলক কাম কৰাৰ বাবেও পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে সচিব গৰাকীয়ে বিগত দিনত বিভাগীয় ফালৰ পৰা দুবাৰ পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। সভাখনত পঞ্চায়ত সভানেত্ৰীগৰাকী উপস্থিত থাকি সভাখন শৃংখলাবদ্ধ, শান্তিপূৰ্ণ পৰিৱেশত সম্পন্ন হোৱাত সম্পূৰ্ণ সহযোগ আগবঢ়ায়।



## ডিমাকুছিৰ ২ সাংবাদিকক সম্বৰ্ধনা আপকুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৫ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ ওৰাঙৰ আপকু ওদালগুৰি জিলা সমিতিৰ উদ্যোগত ২গৰাকী সাংবাদিকক সম্বৰ্দ্ধনা জনোৱা হয়। ওদালগুৰি জিলাৰ ডিমাকুছিৰ নিয়মীয়া বাৰ্তাৰ আৰু ডি ৱাইৰ সাংবাদিক পিংকু কলিতা আৰু ডিমাকুছিৰ সংবাদ কৰ্মী ইন্দ্ৰজিৎ মণ্ডলক আপকু ওদালগুৰি জিলা সমিতিৰ পৰা সম্বৰ্ধনা জনোৱা হয়। এই দুই গৰাকী সাংবাদিকৰ দিনক দিনে সামগ্ৰীক ভাবে উন্নতি হওঁক এয়ে আশা প্ৰকাশ কৰিছে আপকু ওদালগুৰি জিলা সমিতিয়ে । সাংবাদিকক দুগৰাকীক ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপৰ খেল পথাৰত তথা পেৰেড গ্ৰাউণ্ডত ২৬ছেপ্টেম্বৰত সম্বৰ্ধত জনোৱা হয়। এনেদৰে সম্বৰ্ধনা জনাই সাংবাদিক দুগৰাকীক অনুপ্ৰাণিত কৰাৰ বাবে সকলোৱে আপকুক ধন্যবাদ জনাইছে।

# পশ্চিম দৰঙৰ তিতকুছিত গুৰু আৱিৰ্ভাৱ মহোৎসৱত ভাগৱত শোভাযাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বুঢ়া, ৫ অক্টোবৰ ঃ** সমগ্ৰ অসমৰ লগতে পশ্চিম দৰঙৰ তিতকুছিত মহাপুৰুষ শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মজয়ন্তী উদযাপনৰ লগতে সংঘৰ ৪৬ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰা হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয় শংকৰদেৱৰ জন্ম জয়ন্তী। শংকৰদেৱৰ জন্ম জয়ন্তৰ সৈতে সংগতি ৰাখি আজি অন্তিম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে উলিওৱা হয় ভাগৱত শোভাযাত্ৰা। অনুষ্ঠানৰ আৰম্ভনিতে জুবিন গাৰ্গলৈ জনোৱা হয় শ্ৰদ্ধাঞ্জলি। কাৰ্যসুচীৰ অংশ হিচাপে নাম প্ৰসংগৰ লগতে উত্তোলন কৰা হয় ধৰ্ম ধ্বজা। শোভাযাত্ৰাত অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজে সক্ৰিয় অংশগ্ৰহণ কৰে। অঞ্চলটোৰ পুৰুষ মহিলা সমন্বিতে যুৱক-যুৱতী সকলে অংশগ্ৰহণ কৰি মহাপুৰুষ জনাৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনায়। উল্লেখ্য ভাগৱত শোভাযাত্ৰাৰ সময়ছোৱাত গঞা ৰাইজে পদুলিয়ে পদুলিয়ে ধূপ-ধুনা, চাকি-বন্তিৰে সেৱা লোৱা পৰিলক্ষিত হয়।





## ললিত দাসৰ মৃত্যুত জিলা আয়ুক্ত কাৰ্যালয়ত শোক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ উপস্থিতিত কাৰ্য্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ললিত দাসৰ মৃত্যুত শোক প্ৰকাশৰ বাবে এখন শোক সভা আয়োজন কৰা হয়। এই শোক সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীসহ জিলা প্ৰশাসনৰ বহু বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত আছিল। সভাত উপস্থিত সকলোৱে ব্যক্তিগৰাকীৰ আত্মাৰ শান্তিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে আৰু পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে।

## দলংঘাটত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন

# ব্যাস সংগীতৰ ওজা গণেশ্বৰ চহৰীয়াক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বুঢ়া, ৫ অক্টোবৰ ঃ** পশ্চিম দৰঙৰ গভৰা দলংঘাট ৰাজহুৱা নামঘৰ প্ৰাংগণত হীৰকজ্যোতি বড়া সোঁৱৰণী ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মোৎসৱ আৰু সংঘৰ ৭০ সংখ্যক বাৰ্ষিক অধিৱেশন দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। শুকুৰবাৰে দ্বিতীয় দিনা ভাগৱত শোভাযাত্ৰা, আলোচনাচক্ৰ অনুষ্ঠিত হোৱাৰ পাছতে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰজনীকান্ত নাথৰ সঞ্চালনাত অনুষ্ঠিত হয় মুকলি ধৰ্মালোচনী সভা আৰু সম্বৰ্ধনা অনুষ্ঠান। কলাইগাঁও স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ দিপাঞ্জলী চহৰীয়াই উদ্বোধন কৰা মুকলি সভাত দৰং জিলা এক শৰণ ভাগৱতী সমাজৰ প্ৰাক্তন সভাপতি গুণেন্দ্ৰ চলিহাই নিৰ্দিষ্ট বক্তা, বিধায়ক পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, প্ৰাক্তন ৰাজহ মন্ত্ৰী জয়নাথ শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি গুৰুজনাৰ আদৰ্শ আৰু সৃষ্টিৰাজীৰ বিষয়ে আলোকপাত কৰে। সভাত ব্যাস সংগীতৰ ওজা শিল্পী পেঞ্চনাৰ ৯৩ বছৰীয়া গণেশ্বৰ চহৰীয়াৰ লগতে আন কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইপিনে বৃহস্পতিবাৰে প্ৰথম দিনৰ কাৰ্যসূচীত পুৱা বন্তি প্ৰজ্বলনৰ পাছতে সংঘৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন, তোৰন উন্মোচন, ক্ষেত্ৰ উন্মোচন, ৰভা উন্মোচন, মঞ্চ উদ্বোধন, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়নৰ লগতে জুবিন গাৰ্গলৈ জনোৱা হয় গভীৰ শ্ৰদ্ধাঞ্জলি। আনহাতে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া শংকৰ উৎসৱৰ সাংস্কৃতিক কাৰ্যসূচী প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই বাতিল কৰে উদ্যোক্তা মণ্ডলীয়ে।

## হাবি বৰঙাবাৰী নতুন চাৰিআলিত ড্ৰাগছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা থানাৰ অন্তৰ্গত হাবি বৰঙাবাৰী নতুন চাৰি আলিত কালি আৰক্ষীৰ অভিযানত এক ড্ৰাগছ সৰবৰাহ কাৰী আটক হয়। ধৃত ড্ৰাগছ সৰবৰাহ কাৰী জনৰ নাম মজিবুৰ ৰহমান (৫৩)। আৰক্ষীৰ অভিযানত ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ পৰা আৰক্ষীয়ে সন্দেহ যুক্ত ড্ৰাগছ ভৰ্তি দুটা চাবোনৰ বাকচ উদ্ধাৰ কৰে। আৰক্ষীয়ে উদ্ধাৰ কৰা ড্ৰাগছখিনিৰ ওজন ৫৮.১১ গ্ৰাম। ড্ৰাগছ সৰবৰাহকাৰী জনৰ বিৰুদ্ধে আৰক্ষীয়ে আইনগতব্যৱস্থা গ্ৰহণ কৰিছে।

# নলবাৰী চহৰত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ১০০বছৰীয়া বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী , ৫ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ (আৰ এছ এছ) ৰ ১০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি নলবাৰী চহৰত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নলবাৰী চহৰৰ প্ৰখণ্ডৰ উদ্যোগত নলবাৰী মহাবিদ্যালয় খেলপথাৰত পুৱা ভাগৰপৰা সংঘৰ শতাব্দীৰ অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। উক্ত অনুষ্ঠানত পুৱা কেইবা শতাধিক স্বয়ংসেৱক সকলে গণবেশত বৃহৎ পথ সঞ্চলন শীৰ্ষক কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। নলবাৰী আইন মহাবিদ্যালয় সন্মুখেৰে আহি হাজো ৰোড হৈ কলেজ ৰোড হৈ পুনৰ নলবাৰী মহাবিদ্যালয় খেলপথাৰত উপস্থিত হয় পথ সঞ্চলন ৰেলীটো । তাৰ পাছত উক্ত স্থানত আৰএছএছৰ স্বয়ংসেৱক সকলে সংঘৰ সুভাচিছ, সংঘৰ সাংঘিক গীত, যোগ-ব্যয়াম, আসন আদি প্ৰদৰ্শন কৰে । লগতে এই অনুষ্ঠানত বৈধিক প্ৰদান কৰে সংঘৰ উত্তৰ অসম প্ৰান্তৰ কাযকৰণি সদস্য অমৰজিত দাস, বৰপেটা আৰু মুখ্য অতিথি হিচাপে থাকিব যোগেশ্বৰ বুজৰবৰুৱা লগতে অসম ক্ষেত্ৰৰ ক্ষেত্ৰ সংঘ চালক ডাঃ উমেশ চক্ৰৱৰ্তী।



# পাঁচটাকৈ নদীৰ ঘাটত দৰং প্ৰতিৰক্ষা বিভাগৰ কৰ্তব্য পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাণবাৰী, ৫ অক্টোবৰ ঃ** দৰং জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগে দীৰ্ঘদিন ধৰি চৰকাৰী বেচৰকাৰী আদি বিভিন্ন অনুষ্ঠানত নিয়মীয়াকৈ কৰ্তব্য পালন কৰি অহা দেখিবলৈ পোৱা যায়। শেহতীয়াকৈ দুৰ্গা পূজাৰ দিন কেইটাত জিলা খনৰ বহু কেইটা মণ্ডপত তেওঁলোকৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰি আহিছে। দশমীৰ দিনা দৰং জিলাৰ পাঁচটাকৈ নদী ঘাটত দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ বিষয়া তথা চল্লিশ গৰাকী স্বেচ্ছাসেৱক সেৱিকাই দুৰ্গা পূজা বিসৰ্জন কাৰ্যসূচীত কৰ্তব্য পালন কৰা দেখিবলৈ পোৱা যায়। দৰং জিলাৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত টাংনি নদী ঘাট, মঙলদৈ ঘাট, দলগাঁও ঘাট, খান্দাজান ঘাট, খাৰুপেটীয়া মেলা ঘাটত নিশা ১১ বজালৈ তেওঁলোকে তেওঁলোকৰ কৰ্তব্য পালন কৰে। যাৰ বাবে ঘাট কেইটাত কোনো ধৰণৰ বিসংগতি দেখিবলৈ পোৱা যোৱা নাই। দৰঙৰ প্ৰায় ছয় শতাধিক প্ৰশিক্ষণপ্ৰাপ্ত দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকাই বৰ্তমানলৈ স্বইচ্ছাই নিজস্বাৰ্থভাৱেল কাম কৰি আছে। উল্লেখ্য যে স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকা সকলে চৰকাৰী-বেচৰকাৰী যিকোনো অনুষ্ঠানত কাম কৰি থকাৰ লগতে আকস্মিক দুৰ্ঘটনা যেনে ভূমিকম্প, বানপানী, জুই নুমোৱা ইত্যাদি কামবোৰত ৰাইজক বিভিন্ন প্ৰকাৰে সহায় কৰি আহিছে বিভাগটোৱে। দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ ফালৰপৰা যুৱক-যুৱতী সকলক সময়ে সময়ে বুনিয়াদী প্ৰশিক্ষণ দিয়া হয় বুলি জানিব পৰা যায়। ইচ্ছুক দৰঙৰ যুৱক যুৱতী সকলে এই প্ৰশিক্ষণ নিবৰ কাৰণে কাৰ্য্যালয়ত লগত যোগাযোগ কৰিব কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে উৰ্ধতম কৰ্তৃপক্ষই। এই ক্ষেত্ৰত দৰঙৰ অতিৰিক্ত উপায়ুক্ত অজিত কলিতা আৰু দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক পলাশ বৰুৱাই একাধিকভাৱে কাম কৰি জিলা খনৰ প্ৰতিটো অসামৰিক ক্ষেত্ৰত সহায় কৰি আহিছে। বিষয়া দুগৰাকীৰ নেতৃত্বত সফলভাৱে আজিলৈ বহুকেইটা উদ্ধাৰ অভিযান, অগ্নি নুমোৱা আদি প্ৰাকৃতিক দুৰ্জগৰ সময়ত ৰাইজে প্ৰত্যক্ষভাৱে সহায় পাবলৈ সক্ষম হৈছে। যাৰ বাবে জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগক ধন্যবাদ জনায় বিভিন্ন দল সংগঠনৰ লগতে জিলাবাসীয়ে।



# বঙাইগাঁও জিলাত বিশ্ব জীৱ-জন্তু দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৫ অক্টোবৰ ঃ** ভাৰতীয় জীৱ-জন্তু কল্যাণ বোৰ্ডৰ আহ্বান মৰ্মে শনিবাৰে সমগ্ৰ বিশ্বৰ লগতে বঙাইগাঁও জিলা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ উদ্যোগত জিলাখনৰ অভয়াপুৰীস্থিত আঞ্চলিক কৃত্ৰিম প্ৰজনন কেন্দ্ৰ চৌহদত বিশ্ব জীৱ-জন্তু দিৱস পালন কৰা হয়। সেই উদ্দেশ্যে কিছু নিৰ্বাচিত পশুপালক তথা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত পশুকল্যাণ সম্পৰ্কীয় সজাগতা সৃষ্টিৰ বাবে এখন সভা অনুষ্ঠিত কৰা হয়। এই সভাত উদ্দেশ্য বাখ্যা কৰে অভয়াপুৰী সমজিলাৰ ভাৰপ্ৰাপ্ত পশুপালন বিষয়া ডাঃ জ্যোতিষ চন্দ্ৰ কলিতাই। বঙাইগাঁও জিলাৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ শহিদুল ইছলামৰ উদ্যোগত অনুষ্ঠিত সভাত অভয়াপুৰী আঞ্চলিক কৃত্ৰিম প্ৰজনন কেন্দ্ৰৰ পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ সৌৰভজ্যাতি তালুকদাৰে সমল ব্যাক্তি হিচাপে ভাষণ আগবঢ়ায় । সভাত অভয়াপুৰী পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ ভৱধৰ মজুমদাৰ, বইটামাৰী পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ মৃদুল নাথ, বিদ্যাপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ সুৰজিত ভূএগ, মালেগড় কৃত্ৰিম প্ৰজনন কেন্দ্ৰৰ চিকিৎসক ডাঃ উত্তম চৌধুৰী, সৃজনগ্ৰাম খণ্ড পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ চয়ানিকা মজুমদাৰ, চলন্তাপাৰা ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ জ্যোতিচন্দা কলিতা আৰু বঙাইগাওঁ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ মমতা কৰ্মকাৰ উপস্থিত থাকে।

